# ১. কাৰ্য্যকৰী সাৰাংশ

## ১.১ প্ৰকল্পৰ প্ৰস্তাৱক

এই প্ৰকল্পৰ মূল প্ৰস্তাৱক হ'ল অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, চমুকৈ **এ পি ডি চি এল (Assam Power Distribution Company Limited – APDCL)।** এই কোম্পানী অসম চৰকাৰৰ মালিকানাৰ এক প্ৰতিষ্ঠান। এ পি ডি চি এল-ৰ মূল দায়িত্ব হল অসমৰ ভিতৰত বিদ্যুতৰ বাণিজ্য কৰি সকলো উপভোক্তালৈ বিদ্যুতৰ বিতৰণ তথা যোগান সুনিশ্চিত কৰা। অৱশ্যে বিদ্যুতৰ বিতৰণৰ ক্ষেত্ৰত প্ৰযোজ্য আইনৰ নীতি বা বিনিয়ম অনুসৰি এই প্ৰতিষ্ঠানে কেতিয়াবা ৰাজ্যৰ বাহিৰতো বিদ্যুতৰ যোগান ধৰিব পাৰে।

এই কোম্পানী গঠন কৰাৰ প্ৰধান উদ্দেশ্য আছিল বিদ্যু ৎ আইন, ২০০৩ ৰXIII অনুচ্ছেদ অনুসৰি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিভংগনৰ পাছত এই পৰিষদৰ অধীনস্থ সকলো বিতৰণ প্ৰণালী, সম্পদ, চুক্তি, ঋণ, বাধ্যবাধ্যকতা আদিৰ দায়িত্ব এই নৱগঠিত প্ৰতিষ্ঠানক অৰ্পণ কৰা।

## ১.২ প্ৰকল্পৰবিৱৰণ

অসম চৰকাৰেঅদূৰ ভৱিষ্যতে শক্তি খণ্ডত বিভিন্ন প্ৰকল্প ৰূপায়ণ কৰি এই ৰাজ্যৰ প্ৰবহন আৰু বিতৰণ আন্তঃগাঁথনিৰ বৃহৎ বিকাশ আৰু উন্নীতকৰণ কৰাৰ পৰিকল্পনা কৰিছে আৰু তাৰ বাবে ভাৰত চৰকাৰৰ সাহায্য / অনুদানৰ উপৰিএছিয়ান ইনফ্ৰাষ্ট্ৰাকছাৰ ইনভেষ্টমেন্ট বেংকৰ ( Asian Infrastructure Investment Bank - AIIB) দৰে বহুমুখী বিত্তীয় সংস্থাৰ পৰা সাহায্য / ঋণ আদি লোৱাৰ কথাও চিন্তা কৰিছে। অসমৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰুপাৰিৱেশিক সম্পদৰ পূৰ্ণ ব্যৱহাৰেৰে এই ৰাজ্যৰ এনে প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ এ পি ডি চি এল দায়বদ্ধ।

অসমৰ বিদ্যুৎ বিতৰণ নেটৱৰ্কৰ সবলীকৰণ কৰি এই ৰাজ্যৰ সকলো গ্ৰাহকক অধিক মানসম্পন্ন, বিশ্বাসযোগ্য আৰু নিৰাপদ বিদ্যুতৰ যোগান ধৰিবলৈ এপি ডি চি এল-য়ে এক অভিলাসী আঁচনিৰূপায়ণ কৰাৰ পৰিকল্পনা কৰিছে আৰু তাৰ নাম দিয়া হৈছে **'আছাম ডিষ্ট্ৰিবিউছন ছিষ্টেম এনহেন্সমেন্ট এণ্ড লছ ৰিডাকছন প্ৰজেক্ট' (Assam Distribution System Enhancement and Loss Reduction Project)**এই প্ৰকল্পটোও সেই বিশাল আঁচনিৰে এক অংশ। এই প্ৰকল্পৰ অধীনত দুৰ্গম

অঞ্চলত অৱস্থিত বসতিসমূহতোবিদ্যুৎ সংযোগ দিয়াৰ সুবিধা সৃষ্টি কৰা হ'ব, বিতৰণ পদ্ধতিৰ সামৰ্থ্য আৰু বিশ্বাসযোগ্যতা বৃদ্ধি কৰা হ'ব, বিতৰণ ভল্টেজউন্নীত কৰা হ'ব, বিদ্যুত-ক্ষতি কমোৱা হ'ব আৰু শেষপৰ্য্যন্ত সকলো শ্ৰেণীৰ বিদ্যুৎ উপভোক্তাক তেওঁলোকে আশা কৰাতকৈও অধিক সন্তুষ্ট কৰি তোলা হ'ব। ইয়াৰ জৰিয়তে ৰাজ্যখনৰ বিকাশৰ হাৰ বৃদ্ধি হ'ব আৰুৰাজ্যখন সমৃদ্ধিশালী হৈ উঠিব। বিদ্যুৎ বিতৰণ পদ্ধতিৰএনে সবলীকৰণ ৩৩ কেভি আৰু তাৰ কম পৰ্য্যায়ৰ ভল্টেজ নেটৱৰ্কত কৰিবলৈ লোৱা হৈছে।তাৰ বাবে নিম্নোক্ত কামবোৰ কৰা হ'বঃ

(ক) গুৰুত্বপূৰ্ণ ল'ড চেন্টাৰত ( Load Centre) ১৯৬ টা ৩৩/১১ কেভি বৈদ্যুতিক উপকেন্দ্ৰ স্থাপন কৰা হ'ব। এই কাম দুটা পৰ্য্যায়ত কৰা হ'ব।

(খ) নতুন ৩৩ কেভি আৰু ১১ কেভি অভাৰহেড (Overhead) লাইন টনা হ'ব|

(গ) বিতৰণ ক্ষতি কমাবলৈ আৰু বিশ্বাসযোগ্যতা বঢ়াবলৈ নিৰ্বাচিত স্থানসমূহত ১,১০০ টা 'উচ্চ ভল্টেজ বিতৰণ প্ৰণালী' ( High Voltage Distribution System - HVDS) স্থাপন কৰা হ'ব|

## ১.৩ পৰিৱেশ আইন

ৰাষ্ট্ৰীয় আইনঃ কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰালয়ৰ ( Ministry of Environment, Forest and Climate Change - MoEF&CC) ২০০৬ চনৰ'পাৰিৱেশিক প্ৰভাৱ মূল্যায়ণ' ( Environmental Impact Assessment - EIA) জাননী আৰু তাৰ পৰৱৰ্তী সংশোধনীসমূহৰ মতে বৈদ্যুতিক উপকেন্দ্ৰ স্থাপনকে ধৰি শক্তি প্ৰবহন প্ৰকল্পসমূহ আগতীয়া পাৰিৱেশিক অনুমতি লবলগীয়া প্ৰকল্পসমূহৰ সূচীত অন্তৰ্ভুক্ত নহয়। গতিকে ৰাষ্ট্ৰীয় বিনিয়ম অনুসৰি এই প্ৰকল্পৰ বাবে কোনো 'পাৰিৱেশিক প্ৰভাৱ মূল্যাংকণ' ( Environmental Impact Assessment - EIA) প্ৰতিবেদন প্ৰস্তুত কৰাৰ প্ৰয়োজন নাই আৰু আগতীয়া পাৰিৱেশিক অনুমতি ল'বও নালাগে। অৱশ্যে যদি উপকেন্দ্ৰ নিৰ্মাণ আৰু বিতৰণ লাইনৰ বাবে বনভূমি ব্যৱহাৰ কৰিবলগীয়া হয়, তেন্তে বন বিভাগৰঅনুমতিৰ প্ৰয়োজন হ'ব। কিন্তু প্ৰথম পৰ্য্যায়ত নিৰ্মাণ কৰিবলৈ লোৱা ১১৩ টা উপকেন্দ্ৰৰ বাবে প্ৰস্তাৱিত স্থানসমূহ (এটা বাদ দি) বন বিভাগৰ সংৰক্ষিত এলেকাত (ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী অভয়াৰণ্য আদি) নপৰে । কেৱল চন্দ্ৰপু ৰ উপকেন্দ্ৰটোৰ প্ৰস্তাৱিত স্থান আমচাং বন্যপ্ৰাণী অভয়াৰণ্যৰ 'ইক'লজিকেল ছেনছিটিভ জ'ন'ত ( Ecological Sensitive Zone -

ESZ) অৱস্থিত। গতিকে ‘ইক’লজিকেল ছেনছিটিভ জ’ন’ত (Ecological Sensitive Zone - ESZ) ৰ জাননী F.No. 6-60/2020WL Part (I) Dated. 16.07.2020 অনুসৰি তাৰ বাবে আমচাং বন্যপ্ৰাণী অভয়াৰণ্য আৰু পবিতৰা অভয়াৰণৰ বাবে ‘ই এছ জেড মণিটৰিং কমিটি’ৰ ( ESZ Monitoring Committee) আপত্তিহীনতাৰ প্ৰমাণপত্ৰৰ ( No Objection Certificate – NOC) প্ৰয়োজন নহ’ব। কাৰণ প্ৰচলিত আইন অনুসৰিএনে অঞ্চলৰ মাজত ‘বৈদ্যুতিক আৰু যোগাযোগ টাৱাৰ নিৰ্মাণ, আন আন্তঃগাঁথনি স্থাপন, কেবল (Cable) টনা আদি কাম নিয়ন্ত্ৰিত কৰ্মসূচীৰ অন্তৰ্গত। এই প্ৰসংগত যাৱতীয় বিধিবদ্ধ অনুমোদন অবিহনে কোনো নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব নোৱাৰিব।

এ আই আই বি-ৰ ( AIIB) নীতিঃ এ আই আই বি হ’ল এছিয়া মহাদেশৰ বিভিন্ন দেশৰ আন্তঃগাঁথনিসমূহৰ বিকাশ কৰিবলৈ আৰু দেশসমূহৰ মাজৰ আন্তঃসংযোগ বৃদ্ধি কৰিবলৈ বহুমুখী বিত্তীয় সাহায্য আগবঢ়োৱা আৰুলগতে বিনিয়োগ বঢ়োৱা এক বিত্তীয় সংস্থা। এ আই আই বি-য়ে বিশ্বাস কৰে যে এছিয়াৰ দেশসমূহৰ আন্তঃগাঁথনিৰ উন্নয়ণ আৰু ইয়াৰ বিভিন্ন দেশসমূহৰ মাজত আন্তঃসংযোগ স্থাপনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত পাৰিৱেশিক আৰু সামাজিক (Environmental and Social – E&S) বহনক্ষমতাৰক্ষা কৰাটো এক প্ৰাথমিক চৰ্ত আৰু গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তা। এ আই আই বি-ৰপাৰিৱেশিক আৰু সামাজিক নীতিৰ ( Environmental and Social Policy - ESP) উদ্দেশ্য হ’ল প্ৰকল্পসমূহৰ লগত সঠিক পাৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা সমন্বিত কৰা আৰু তেনে পদ্ধতিৰ জৰিয়তে হে সেই বিকাশৰ লক্ষ্যত উপনীত হো ৱাত সহায় কৰা।

এ আই আই বি-ৰপাৰিৱেশিক আৰু সামাজিক নীতিয়ে ( ESP) প্ৰতিটো প্ৰকল্পৰ বাবে পাৰিৱেশিক আৰু সামাজিক ( E&S)প্ৰয়োজনীয়তা বাধ্যতামূলক কৰিছে। এনে পাৰিৱেশিক আৰু সামাজিক মানদণ্ডসমূহৰ (Environmental and Social Standard – ESS) ভিতৰত আছে,

- ESS 1: পাৰিৱেশিক আৰু সামাজিক মূল্যাংকণ আৰু ব্যৱস্থাপনা;
- ESS 2: অনিচ্ছাপূৰ্বক পুনৰ্বাসন ৰোধ; আৰু
- ESS 3: স্বদেশী বা স্থানীয় লোকৰ সুৰক্ষা;

## ১.৪ সামাজিক আইন

এই প্ৰকল্পৰ অধীনৰ বৈদ্যুতিক উপকেন্দ্ৰ আৰু বিতৰণ লাইনসমূহ এনেদৰে ডিজাইন আৰু নিৰ্মাণ কৰা হ'ব, যাতে তাৰ নেতিবাচক সামাজিক প্ৰভাৱ নিম্নতম হয়। সামাজিক প্ৰভাৱ পেলাব পৰা বিষয়সমূহৰভিতৰত আছে - স্থায়ী/অস্থায়ী ভূমি অধিগ্ৰহণ, কৃষিখণ্ডত আৰু/বা জীৱিকানিৰ্বাহ পদ্ধতিত বিৰূপ প্ৰভাৱ, নিৰ্মাণৰ লগত সম্পৰ্কিত ব্যাঘাত আৰুসংকট (লিংগ-ভিত্তিক হিংসাকো ধৰি) । যদি কিছুমান ক্ষেত্ৰত স্থায়ী বা অস্থায়ীভাবে ভূমি অধিগ্ৰহণ কৰাৰ প্ৰয়োজন হয়, তেন্তে সেই কাম জিলা ৰাজহ বিষয়াৰ উপস্থিতিত মাটিৰ গৰাকীৰ লগত আলোচনা তথা বুজাবুজিৰে হ'ব লাগিব। এই ক্ষেত্ৰত 'ৰাইট টু ফেয়াৰ কমপেনছেছন এণ্ড ট্ৰেন্সপাৰেন্সী ইন লেণ্ড একুইজিছন, ৰিহেবিলেছন এণ্ড ৰিছেটলমেন্ট এক্ট, ২০১৩', 'নেছনেল ৰিছেটলমেন্ট এণ্ড ৰিহেবিলিটেছন পলিচী, ২০০৭ (এন আৰ আৰ পি)' আদি বিভিন্ন ৰাষ্ট্ৰীয় আইন, 'ইণ্ডিয়ান টেলিগ্ৰাফ এক্ট, ১৮৮৫'ৰসম্পৰ্কিত অনুচ্ছেদৰসৈতে সংগতি থকা 'বিদ্যুৎ আইন, ২০০৩'ৰ ব্যৱস্থাসমূহ' আৰু এ আই আই বি-ৰপাৰিৱেশিক আৰু সামাজিক নীতিসমূহ মানি চলিব লাগিব।

## ১.৫ প্ৰকল্পৰ শ্ৰেণীবদ্ধকৰণ আৰু পাৰিৱেশিক আৰু সামাজিক (E&S)সাধন

এ আই আই বি-ৰপাৰিৱেশিক আৰু সামাজিক নীতি (ESP) অনুসৰি এই প্ৰকল্পটোক 'বি' বিভাগত (Category B) অন্তৰ্ভুক্ত কৰা হৈছে। কাৰণ এই প্ৰকল্পটোৱে সীমিত পৰিমাণৰ হ'লেও নেতিবাচক পাৰিৱেশিক আৰু সামাজিক ( E&S)প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে। অৱশ্যে এনে নেতিবাচক প্ৰভাৱ কোনো নতুন প্ৰকাৰৰপ্ৰভাৱ নহয়। ইয়াৰে কিছুমান প্ৰভাৱ অপৰিৱৰ্তনীয় আৰু ক্ৰমে বাঢ়িহে গৈ থকাৰ আশংকা আছে। কিন্তু সেইবোৰো কেৱল প্ৰকল্পৰ ভিতৰতে সীমাবদ্ধ থাকিব আৰু প্ৰকল্পটো কাৰ্য্যক্ষম হোবাৰ পাছত কিছু কাৰ্য্যকৰীব্যৱস্থা ল'লে এই প্ৰভাৱসমূহ সফলভাবে প্ৰতিৰোধ কৰিব পৰা যাব। আনহাতে 'কেটেগৰী-বি'ত পৰাৰ বাবে সৃষ্টি হ'ব পৰা সমস্যাসমূহৰ উপৰি এখন পৰিৱেশ সংবেদী ৰাজ্য হিচাপে অসমত আন কিছুমান সমস্যাও সৃষ্টি হ'ব পাৰে আৰু সেইবোৰ দূৰ কৰাটোও গুৰুত্বপূৰ্ণ। গতিকে এ পি ডি চি এল-য়ে প্ৰকল্পৰৰূপায়ণৰ সময়ত নিৰ্দেশক নীতি হিচাপে ব্যৱহাৰ কৰিব পৰাএক 'পাৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা পৰিকল্পনাকাঠামো' (Environmental and Social Management Planning Framework – ESMPF) বিকাশ

কৰাৰবিশেষ প্ৰয়োজন আছে । তাৰ বাবে এ পি ডি চি এল-য়ে উপ-প্ৰকল্পৰ লগত সম্পৰ্কিত 'পাৰিৱেশিক আৰু সামাজিক প্ৰভাৱ মূল্যাংকণ' (Environment and Social Impact Analysis – ESIA)প্ৰস্তুত কৰিব লাগিব আৰু প্ৰকল্পৰ কামৰ বাবে কোনো ঠিকাদাৰী প্ৰতিষ্ঠানক নিয়োগ কৰাৰ আগতেই সেই মূল্যাংকণ এ আই আই বি-ৰ দ্বাৰা অনুমোদন কৰাব লাগিব। প্ৰকল্পটোৰ পৰা হ'ব পৰা নেতিবাচক প্ৰভাবসমূহ প্ৰশমিত কৰিবলৈ আৰু প্ৰকল্পৰ সংবহনীয়তা বৃদ্ধি কৰিবলৈ এ পি ডি চি এল-য়ে'পাৰিৱেশিক আৰুসামাজিক ব্যৱস্থাপনা পৰিকল্পনা' ( Environmental and Social Management Plan–ESMP), 'সংক্ষিপ্তকাল/স্থায়ী পুনৰ্বাসন পৰিকল্পনা' (Abbreviated/Resettlement Plan – A/RPs) আৰু'জনজাতি লোক পৰিকল্পনা' ( Tribal People Plans–TTPs) (যদিহে থাকে) আদি আগতীয়াকৈ ৰূপায়ণ কৰিব লাগিব।

ESMPF প্ৰতিবেদনত অঞ্চলটোৰ ভৌগোলিক, পাৰিৱেশিক, অৰ্থনৈতিক আৰু সামাজিক বৈশিষ্ট্য সম্পৰ্কীয় আধাৰবা মূল তথ্যসমূহ সন্নিবিষ্ট হৈ আছে। লগতে আছে ইতিমধ্যেই চিনাক্ত হোৱা আৰু সম্ভাব্য বুলি পৰিগণিত হোৱা পাৰিৱেশিক আৰু সামাজিক প্ৰভাৱ আৰু তাৰ প্ৰতিৰোধমূলক ব্যৱস্থা। নাতিদূৰত আগতেই স্থাপন কৰা উপকেন্দ্ৰৰ পৰিৱেশ-পৰিস্থিতি অধ্যয়ন কৰি পাৰিৱেশিক আৰু সামাজিক বিপদসমূহ দূৰ কৰাৰ উপায় উলিয়াবলৈ চেষ্টা কৰাহৈছে। ESMPF প্ৰস্তুত কৰোতে তাৰ মূল আধাৰ হিচাপে লোৱা হৈছে - স্পষ্ট পদাংকযুক্ত উপ-প্ৰকল্পৰ নমুনা ( Sample)। তাৰপৰাপ্ৰস্তুত কৰা হৈছে - আধাৰ ESIA, সাধাৰণ ( Generic) ESMP আৰুৰূপায়ন কৰিব পৰাবিধৰ এক RPF।আনহাতে পৰৱৰ্তীপাৰিৱেশিক আৰু সামাজিক প্ৰভাৱ মূল্যাংকণৰ বাবেও ই এক সঠিক নিৰ্দেশনা দিব পাৰিব। TPP (যদিহে প্ৰয়োজন হয়) প্ৰস্তুত কৰা আৰু সেইমতে কাম কৰাৰপথনিৰ্দেশনাৰ বাবে এক 'জনজাতি লোক বিকাশ পদাংক'ও (Tribal People Development Framework - TPDF)তৈয়াৰ কৰাহৈছে। এ আই আই বি-ৰ নিয়ম অনুসৰি এ পি ডি চি এল-য়ে প্ৰকল্প ৰূপায়নৰ সময়ত ঠিকাদাৰী প্ৰতিষ্ঠানক নিয়োগ কৰাৰ আগতেই সকলো অ-মূল্যাংকিত উপ-প্ৰকল্পৰপাৰিৱেশিক আৰু সামাজিক মূল্যাংকন কৰিব লাগিব আৰু এয়া ESMPF ৰ লগত সংগতি ৰাখি কৰিব লাগিব। সম্ভাব্য পাৰিৱেশিক আৰু সামাজিক বিপদসমূহ এৰাই চলিবলৈ এ পি ডি চি এলে-ইয়ে এ আই আই বি-ৰ লগত আলোচনা কৰি প্ৰকল্পৰ স্থানসমূহ সা ৱধানেৰে নিৰ্বাচন কৰিব, যাতে সামাজিক, সাংস্কৃতিক আৰু প্ৰত্নতাত্বিকভাৱে সংবেদী অঞ্চলসমূহ (যেনে – উদ্যান, শ্মশান, ধৰ্মীয় উপাসনাস্থলী, কীৰ্তিস্তম্ভ আদি) অধিগ্ৰহণ নকৰিলেও হয়। লগতে প্ৰকল্পৰ প্ৰস্তা ৱিত স্থানসমূহ যাতে কোনো ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী অভয়াৰণ্য, জীৱমণ্ডল সংৰক্ষিত অঞ্চল বা জী ৱবৈচিত্ৰ্য

‘হটস্পট’ত নপৰে তাৰ প্ৰতিও চকু ৰখা হ’ব। উল্লেখিত অঞ্চলসমূহত যদি কোনো কাম-কাজ চলোৱাৰ প্ৰস্তাৱ ৰখা হৈছিলেও, তেতিয়াও পাৰিৱেশিক আৰু সামাজিক নিৰীক্ষণ আৰু প্ৰকল্পৰ শ্ৰেণীবিভাগসম্পৰ্কীয় নিৰ্দেশনাৰ জৰিয়তে সেই কাম প্ৰকল্পৰআওতাৰ পৰা আঁতৰাই ৰখা হ’ব।

**১.৬ অসমৰসামগ্ৰিক ৰেখাচিত্ৰ**

অসমক প্ৰধানকৈ তিনিটা ভৌগোলিক অঞ্চলত বিভক্ত কৰা হৈছে – নামনি অসম, মধ্য অসম আৰু উজনি অসম। প্ৰধান উপপ্ৰকল্পৰ স্থানসমূহ এই তিনিটা অঞ্চলৰ৩৩ খন জিলাত / ১৯ টা বৈদ্যুতিক চক্ৰত জিলাত অৱস্থিত। অসমৰ জলবায়ু হ’ল সেমেকা ‘ক্ৰান্তীয় মৌচুমী বৰ্ষাৰণ্য জলবায়ু’ আৰু অসমত যথেষ্ট বৰষুণ হয়। উত্তৰ পূৱ ভাৰতত এক জীৱবৈচিত্ৰ্যৰ অঞ্চল হিচাপে অসমৰ বিশেষ স্থান আছে। বিচিত্ৰ ধৰণৰ উদ্ভিদৰ ক্ষেত্ৰত অসম ইমানেই চহকী যে ইয়াক উত্তৰ পূ ৱৰ ‘জীৱবৈজ্ঞানিক দ্বাৰ’ আৰু ‘ফুলগছৰ দোলা’ বুলি অভিহিত কৰা হয়।

২০১৭ চনৰ নবেম্বৰৰ পৰা ২০১৮ চনৰ ফেব্ৰুৱাৰিলৈকে – এই সময়চোৱাৰ ভিতৰত উপলব্ধ ‘ইণ্ডিয়ান ৰিম’ট ছেন্সিং’ ( Indian Remote Sensing – IRS) ৰিছৰ্ছছেট–২ ‘লিনিয়েৰ ইমেজিং ছেলফ-স্কেনাৰ–III’ৰ (Linear Imaging Self-Scanner–III) উপগ্ৰহীয় তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা এ ক পৰিসংখ্যামতে অসমৰ বনাঞ্চলৰ মুঠ ক্ষেত্ৰফল হ’ল – ২৮,৩২৬.৫১ বৰ্গ কিলোমিটাৰ। এয়া হ’ল ৰাজ্যখনৰ মুঠ মাটিকালিৰ ৩৬.১১%। ‘ বনাঞ্চল ছত্ৰ ঘনত্ব’ (Forest Canopy Density) শ্ৰেণী অনুসৰি এই ৰাজ্যৰ ২,৭৯৪.৮৬ বৰ্গ কিলোমিটাৰ অঞ্চল ‘অতিশয় ঘন বনাঞ্চল’ (Very Dense Forest – VDF), ১০,২৭৮.৯১ বৰ্গ কিলোমিটাৰ অঞ্চল ‘মধ্যমীয়া ঘন বনাঞ্চল’ (Moderately Dense Forest – MDF) আৰু ১৫,২৫২.৭৪ বৰ্গ কিলোমিটাৰ ‘মুক্ত বনাঞ্চল’ (Open Forest – OF)। ২০১৭ চনৰ ‘ইণ্ডিয়া ষ্টেট অব ফৰেষ্ট ৰিপৰ্ট’ত ( ISFR) উল্লেখিত আগৰ পৰিমাণৰ তুলনাত অসমৰ বনাঞ্চল ২২১.৫১ বৰ্গ কিলোমিটাৰ বৃদ্ধি পাইছে।

অসমত সংৰক্ষিত বনাঞ্চলৰ সংখ্যা ২৫। ইয়াৰ ভিতৰত আছে ৫ খন ৰাষ্ট্ৰীয় উদ্যান আৰু ২০ খন বন্যপ্ৰাণী অভয়াৰণ্য (প্ৰস্তা ৱিত ২ খন বন্যপ্ৰাণী অভয়াৰণ্যক ধৰি) । এই অঞ্চলসমূহে বহুতো বিলুপ্তপ্ৰায় আৰু বিৰল জীৱ প্ৰজাতিক সুৰক্ষা দি আহিছে। অসমত পাঁচখন ‘হস্তী সংৰক্ষিত অঞ্চল’ আছে (শোণিতপুৰ, দিহিং-পাটকাই, কাজিৰঙা-কাৰ্বি আংলং, ধনশিৰি-লুংডিং আৰু চিৰাং-ৰিপু)। আঠটা ‘হস্তী-কৰিডৰে’ এই স্থানসমূহ সংযুক্ত কৰিৰাখিছে। অসমত দুখন ‘জীৱমণ্ডল সংৰক্ষিত অঞ্চল’ আৰু

দুখন ‘বিশ্ব ঐতিহ্য ক্ষেত্ৰ’ আছে আৰু এইবোৰে অসমৰ বৰ্তমানৰ জী ৱবৈচিত্ৰ্যৰ সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। এইবোৰ সংৰক্ষিত অঞ্চলত কোনো উপপ্ৰকল্প স্থাপন কৰা নহ'ব।

অসম মূলতঃ এখন গ্ৰামভিত্তিক ৰাজ্য। এই ৰাজ্যৰ প্ৰায় ৮৬% লোক গাঁও অঞ্চলত বাস কৰে। এই অঞ্চলসমূহৰ অৰ্থ-সামাজিক পৰ্য্যায় নগৰ অঞ্চল আৰুৰাষ্ট্ৰীয় গড় পৰ্য্যায়তকৈ নিম্ন। গ্ৰাম্য অঞ্চলৰ দৰিদ্ৰতা, নগৰ অঞ্চলৰ দৰিদ্ৰতাৰ প্ৰায় দুগুণ। অসমৰ দৰিদ্ৰতাৰ হাৰ তুলনামূলকভাবে যে বেছি, তাত অসমৰ জনসংখ্যা বৃদ্ধিৰো বিশেষ অৱদান আছে।

ভাৰতৰ ২০১১ চনৰপিয়ল অনুসৰি অসম ৰাজ্যৰ মাটিকালি ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ আৰু এই মান ভাৰতৰ মুঠ ভৌগোলিক অঞ্চলৰ ২.৩৯%। পাছে ইয়াৰ জনসংখ্যা হ'ল ৩.১২ কোটি আৰু এই মান ভাৰতৰ মুঠ জনসংখ্যাৰ ২.৫৮%। অসমৰ গড় মাটি-মানুহ অনুপাত প্ৰতি বৰ্গ কিলোমিটাৰত ৩৯৮ জন। ২০০১-২০১১ দশকটোত অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ মান হ'ল – ১৭.০৭%। ২০১১ ৰ লোকপিয়ল অনুসৰি অসমৰ সাক্ষৰতাৰ হাৰ ৭২.১৯%। তাৰ ভিতৰত পুৰুষৰ সাক্ষৰতাৰ হাৰ ৭৭.৮৫% আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ ৬৬.২৭%। পুৰুষ-মহিলাৰ মাজত সাক্ষৰতাৰ পাৰ্থক্য ১১.৮৫%। অসমৰ মুঠ জনসংখ্যাৰ ৭.১৫% হ'ল অনুসূচীত জাতি আৰু পাহাৰীয়া জনজাতিৰ পৰিমাণ হ'ল ১২.৪৫%।

### ১.৭ পাৰিৱেশিক আৰু সামাজিক প্ৰভাৱ

ধাৰণা কৰামতে এই প্ৰকল্পটোৱে ওচৰপাজৰৰপাৰিৱেশিক আৰু সামাজিক অৱস্থাত বিশেষ নেতিবাচক পৰিবৰ্তন সাধন নকৰে, কিন্তু এই অঞ্চলৰ বৃহৎ অৰ্থনৈতিক বিকাশত ই উল্লেখনীয় বৰঙণি যোগাব। সম্ভা ব্য নেতিবাচক পাৰিৱেশিক আৰু সামাজিক প্ৰভাৱ আৰু তাৰ প্ৰতিৰোধমূলক ব্যৱস্থাসমূহৰ বিষয়ে সাধাৰণ (Generic) ESMP ত বিশদভাবে কোৱা হৈছে। প্ৰকল্পৰ জীৱনচক্ৰতে সেইব্যৱস্থাসমূহ ৰূপায়ণ কৰা হ'ব। যিহেতু ESMP ৰ বহুতো ব্যৱস্থাঠিকাদাৰসকলেই ৰূপায়ণ কৰিব লাগিব, সেইবাবে ইয়াৰৰূপায়ণ আৰুনিৰীক্ষণ সুনিশ্চিত কৰিবলৈ ESMP,নিবিদাখনৰ এক অংশ হ'ব। প্ৰস্তাৱিত উপ-প্ৰকল্পৰ স্থান পৰিদৰ্শন আৰুESMPবিকাশ কৰিবলৈ কেনে ব্যৱস্থাৰ প্ৰয়োজন হ'ব পাৰে সেই সম্পৰ্কত তথ্য সংগ্ৰহৰ পাছত ধাৰণা কৰা বিষয় সমূহ আৰুলগতে বিভিন্ন পৰ্য্যায়ত আহিব পৰা সম্ভাব্য বিপদ বা প্ৰভাৱসমূহ তলত উল্লেখ কৰা হ'ল।

(ক) ভৌতিক পৰিবেশত প্ৰভা ৱঃ প্ৰস্তা ৱিত উপ-প্ৰকল্পসমূহত গাঁথনি নিৰ্মাণৰ বাবে মাটি খান্দিবলগীয়া হ'ব, প্ৰকল্পৰ নিৰ্মাণ আৰু কৰ্মসম্পাদনৰ সময়ত যথেষ্ট পানীৰ প্ৰয়োজন হ'ব আৰু 'স্পেয়াৰ পাৰ্টছ'/সা-সঁজুলিসমূহ ৰাখিবৰ বাবে স্থানৰ প্ৰয়োজন হ'ব। এই কামসমূহৰ বাবে উপকেন্দ্ৰসমূহ স্থাপন কৰাৰ ঠাইত ভূ-প্ৰকৃতিৰ স্থায়ী পৰিবৰ্তন হ'ব।

(খ) কাষৰীয়া পৰিবেশত প্ৰভাৱঃ বেছিভাগ উপ -প্ৰকল্পই নিৰ্জন / খালী স্থানত স্থাপন কৰা হ'ব আৰু তাত গছ-গছনি খুব কমেই থাকিব। তথাপি যদি কিছু গছ ওচৰেপাজৰে থাকে, সেইবোৰযিমান পাৰি সংৰক্ষণ কৰিবলৈ চেষ্টা কৰা হ'ব, যিহেতু তেনে সংৰক্ষণ সেই অঞ্চলৰ পৰিৱেশ সুৰক্ষাৰ বাবে খুবেই জৰুৰী । এৰাব নোৱৰা পৰিস্থিতিৰ বাহিৰে সেইবোৰ কটা বা ধ্বংস কৰা উচিত নহয়, কাৰণ সেইবোৰে ধূলি সৃষ্টিতো বাধা দিয়ে। এই ক্ষেত্ৰত ল 'বলগীয়া কৰ্মপদ্ধতি হ'ল যে মাটিৰ ওপৰত যিবোৰ উদ্ভিদ আছে, সেইবোৰৰ ওপৰত নিৰ্মাণ-কাৰ্য্যৰ প্ৰভাৱ নিম্নতম হ'ব লাগিব। কোনো প্ৰকল্পৰ স্থান বন্যপ্ৰাণী অভয়াৰণ্যত হ'ব নোৱাৰিব। যি ক্ষেত্ৰত উপ-প্ৰকল্পৰ স্থান বনভূমিত হয় বা গছ কটাৰ প্ৰয়োজন হয়, সেই ক্ষেত্ৰতহে বন বিভাগৰ অনুমতিৰ প্ৰয়োজন হ'ব। বনভূমিৰ ব্যৱহাৰ যিমান পাৰি কম হ'ব লাগিব। যদি সেয়া সম্ভৱ নহয়, তেন্তে এ পি ডি চি এল-য়ে এ আই আই বি-ৰ লগত সেই নিৰ্বাচন সম্পৰ্কত আলোচনা কৰিব আৰু প্ৰকল্পৰ কামৰ বাবে কৰ্মাদেশ দিয়াৰ আগতেই প্ৰয়োজনীয় অনুমতি যোগাৰ কৰিব লাগিব।

প্ৰস্তাৱিত উপ -প্ৰকল্পবোৰ সম্পূৰ্ণভাবে সীমাবদ্ধ এক স্থিতি বা চৌহদ হ'ব লাগিব। চৌপাশে শক্তিশালী বেৰা থাকিব আৰু সেই স্থানৰ ভিতৰত প্ৰৱেশ আৰু যাতায়ত নিয়ন্ত্ৰিত হ'ব। প্ৰকল্পটো স্থাপন কৰাৰ বাবে জীৱ-জন্তুবোৰৰ ওপৰত যাতে কোনো ধৰণৰ নেতিবাচক প্ৰভাৱ নপৰে, তাৰ প্ৰতিও দৃষ্টি ৰাখিব লাগিব। ESIA অধ্যয়নত এই কথা স্পষ্ট হ'ব লাগিব যে প্ৰস্তাৱিত স্থান যাতে বন্যপ্ৰাণীৰ আবাসস্থলী, কৰিডৰ, অহা-যোৱা কৰা অঞ্চল আদিৰ ভিতৰত নপৰে । গতিক এনে অধ্যয়নে চৌপাশৰ বন্যপ্ৰাণীৰ প্ৰসংগটোও সামৰি ল'ব লাগিব আৰু প্ৰকল্পটোৰ অগ্ৰগতিৰ বিভিন্ন পৰ্য্যায়ত মানুহ-বন্যপ্ৰাণীৰ সংঘাত, বন্যপ্ৰাণী চিকাৰ আদি যাতে নহয়, সেই সম্পৰ্কতো পৰ্য্যাপ্ত আৰু কাৰ্য্যকৰী প্ৰতিৰোধমূলক ব্যৱস্থাৰ পৰামৰ্শ দিব লাগিব।

(ঘ) আৰ্থ-সামাজিক পৰিৱেশত প্ৰভাৱঃ নিৰ্মাণ কৰিবলৈ লোৱা বৈদ্যুতিক উপকেন্দ্ৰ আৰু বিতৰণ লাইনসমূহৰ আৰ্হি প্ৰস্তুত কৰোতে এই কথাত গুৰুত্ব দিয়া হ'ব যাতে নেতিবাচক সামাজিক প্ৰভাৱ নিম্নতম হয়। এনে ধৰণৰ সামাজিক প্ৰভাৱৰ ভিতৰত পৰিব – স্থায়ী/অস্থায়ী ভূমি অধিগ্ৰহণ,

কৃষিখণ্ডত আৰু/বা জী ৱিকানির্বাহ পদ্ধতিত বিৰূপ প্ৰভাৱ, নির্মাণৰ লগত সম্পৰ্কিত ব্যাঘাত আৰু সংকট (লিংগ-ভিত্তিক হিংসাকো ধৰি) আদি। যদি কিছুমান ক্ষেত্ৰত স্থায়ী বা অস্থায়ীভাবে ভূমি অধিগ্ৰহণ কৰাৰ প্ৰয়োজন হয়, তেন্তে সেই কাম RPF (Resettlement Plan Framework) ত উল্লেখ থকা নির্দেশনা অনুসৰি জিলা ৰাজহ বিষয়াৰ উপস্থিতিত মাটিৰ গৰাকীৰ লগত আলোচনা তথা বুজাবুজিৰে হ'ব লাগিব। এই ক্ষেত্ৰত 'ৰাইট টু ফেয়াৰ কমপেনছেছন এণ্ড ট্ৰেন্সপাৰেন্সী ইন লেণ্ড একুইজিছন, ৰিহেবিলেছন এণ্ড ৰিছেটলমেন্ট এক্ট, ২০১৩', 'নেছনেল ৰিছেটলমেন্ট এণ্ড ৰিহেবিলিটেছন পলিচী, ২০০৭ (এন আৰ আৰ পি)' আদি বিভিন্ন ৰাষ্ট্ৰীয় আইন, 'ইণ্ডিয়ান টেলিগ্ৰাফ এক্ট, ১৮৮৫'ৰ সম্পৰ্কিত অনুচ্ছেদৰ সৈতে সংগতি থকা 'বিদ্যুৎ আইন, ২০০৩'ৰ ব্যৱস্থাসমূহ' আৰু এ আই আই বি-ৰৰপাৰিৱেশিক আৰু সামাজিক নীতিসমূহ মানি চলিব লাগিব।

প্ৰাথমিক স্থান-পৰিদৰ্শনৰ পাছত জানিব পৰা গৈছে যে এটা বৈদ্যুতিক উপকেন্দ্ৰৰ বাবে ১,৭৫০বৰ্গ মিটাৰ ভূমিৰ প্ৰয়োজন হয়। প্ৰস্তাৱিত স্থানসমূহৰ প্ৰায়বোৰৰে ভূমিৰ গৰাকী এ পি ডি চি এল, এ পি জি চি এল বা অসম চৰকাৰ । প্ৰস্তাৱিত ১৯৬ টা বৈদ্যুতিক উপকেন্দ্ৰৰ বাবে প্ৰায় ৩,৪৩,০০০ বৰ্গ মিটাৰ ভূমিৰ প্ৰয়োজন হ'ব (প্ৰতিটো উপকেন্দ্ৰৰ বাবে গড়ে ১,৭৫০ বৰ্গ মিটাৰ মাটিৰ হিচাপত)। যিবোৰ উপকেন্দ্ৰৰ বাবে চৰকাৰী বা এ পি ডি চি এল / এ পি জি চি এল-ৰ নিজা মাটি নাই আৰু ব্যক্তিগত মালিকানাৰ ভূমি আহৰণ কৰিব লাগিব, সেইবোৰ ক্ষেত্ৰত এ পি ডি চি এল-য়ে ভূমিৰ গৰাকীৰ লগত কথা পাতিছে আৰু লগতে এই কথালৈও লক্ষ্য ৰাখিছে যাতে তেনে অধিগ্ৰহণৰ ফলত সেইসকলৰ জীৱিকা নিৰ্বাহত কোনো বাধাৰ সৃষ্টি নহয়। সেইবাবে মূলতঃ মাটি বিক্ৰী কৰিবলৈ ইচ্ছুক লোকসকলৰ লগতহে আলোচনা কৰা হৈছে। ইচ্ছাবিহীন লোকৰভূমি অধিগ্ৰহণ, অনিচ্ছাপূৰ্বক পুনৰ্বাসন আৰু/বা জীৱিকা নিৰ্বাহত সম্ভাব্য নেতিবাচক প্ৰভাৱ পেলাব পৰা ক্ষেত্ৰসমূহ চিনাক্তকৰণ কৰা হ'ব। RPF ৰ লগত সংগতি ৰাখি A/RPs প্ৰস্তুত কৰা হ'ব। বিতৰণ লাইনসমূহ পৰাপক্ষত চৰকাৰী ভূমিৰ ওপৰেদি টনা হ'ব আৰু ব্যক্তিগত ভূমিৰ ওপৰত সেইবোৰৰ কোনো স্থায়ী প্ৰভাৱ নাথাকিব। চাহ বাগিছাসমূহৰ বাবে যিবোৰ ভূমিৰ প্ৰস্তাৱ ৰখা হৈছে, সেইবোৰ হ'ল চাহ খেতি নথকা খালী ঠাই। চাহ বাগিছাৰ মালিকসকল সাধাৰণতে এ পি ডি চি এল-ৰ সৈতে পাৰস্পৰিক বুজাবুজিৰে বৈদ্যুতিক উপকেন্দ্ৰৰ বাবে ভূমি দিবলৈ ইচ্ছুক, কাৰণ তেনে উপকেন্দ্ৰই তেওঁলোককে বিশ্বাসযোগ্য আৰু মানবিশিষ্ট বিদ্যুৎ যোগান ধৰিব। উপকেন্দ্ৰ স্থাপনৰ বাবে যি চৰকাৰী ভূমিৰ প্ৰস্তাৱ ৰখা হৈছে, সেই ভূমিসমূহ বেদখল বা অবৈধ বসবাসৰ পৰা মুক্ত। অৱশ্যে নিৰ্মাণৰ সময়ত শস্যৰ ক্ষতি, কাটিববলগীয়া হোৱা গছ, টেপিং স্থানৰ পৰা নতুন উপকেন্দ্ৰলৈ বিতৰণ লাইন টানোতে 'ৰাইট

অব ৱে’ (Right of Way – ROW) আদি সমস্যা হ’ব পাৰে। এই প্ৰসংগবোৰ পুনৰ্বিচাৰ কৰোতে তলৰ বিষয়বোৰ চিনাক্ত কৰা হৈছে, যিবোৰ এৰাই চলিব নোৱাৰিআৰু যিবোৰৰ বাবে স্থানভিত্তিক ESPMs আৰুA/RPs অনুসৰি প্ৰতিৰোধমূলক ব্যৱস্থা ল’ব লাগিব বা ক্ষতিপূৰণ দিব লাগিবঃ

- শস্য, গছ আদিৰ স্থায়ী ক্ষতি,
- জীৱিকাৰ উৎসৰ ওপৰত পৰা প্ৰভাৱৰ বাবে জীৱিকা নিৰ্বাহত অস্থায়ী নেতিবাচক ক্ষতি,
- তলৰ অঞ্চলত পানী গৈ পৰিব পৰা প্ৰাকৃতিক খালবোৰৰ ক্ষতিৰ বাবে জলনিকাশৰ সমস্যা,
- ধৰ্মীয় উপাসনাস্থলী, শ্মশানস্থলী আদি ৰাজহুৱা স্থানৰ সম্ভাৱ্য ক্ষতি,
- বাহিৰৰ পৰা যথেষ্ট সংখ্যক নিৰ্মাণ শ্ৰমিকৰ আগমনৰ ফলত স্থানীয় লোকৰ ওপৰত প্ৰভাৱ, আৰু
- কোভিড-১৯ ৰোগৰ সামাজিক সংক্ৰমণৰ বিপদ।

প্ৰস্তাৱিত প্ৰকল্পসমূহৰ চৌহদসমূহত শক্তিশালী বেৰা থাকিব, যাতে তাৰ ভিতৰত প্ৰৱেশ নিয়ন্ত্ৰিত কৰিব পৰা যায়। প্ৰস্তাৱিত স্থানসমূহত পথ / উপপথ আদিও থাকিব পাৰে আৰু সেইবোৰ স্থানীয় লোকে নিজৰ দৈনন্দিন কাম-কাজত সঘনাই ব্যৱহাৰ কৰা বিধৰো হ’ব পাৰে । স্থানীয় ব্যৱহাৰকাৰীসকলৰ লগত আলোচনা কৰিএই পথ / উপপথসমূহ উপ-প্ৰকল্পৰ ESIA পৰ্য্যায়তে ভালকৈ চিনাক্তকৰণ কৰাৰ প্ৰয়োজন আছে, যাতে প্ৰকল্প পৰিকল্পনাৰ সময়তে সেইবোৰ অন্তৰ্ভুক্ত কৰিব পৰা যায় আৰু যদি অপৰিহাৰ্য্য হয়, তেন্তে বিকল্প পথৰ সন্ধান কৰিব পৰা যায়।

শ্ৰমিকঃ নিৰ্মাণ কাৰ্য্য পূৰ্ণ গতিত চলি থকাৰ সময়ত সৰ্বোচ্চ সংখ্যক শ্ৰমিক প্ৰকল্পথলীলৈ আহিবলগীয়া হ’ব পাৰে। অৱশ্যে প্ৰকল্পটোৰসামৰ্থ্য আৰুআকাৰৰ ওপৰত নিৰ্ভৰ কৰি এনে প্ৰভাৱ উপেক্ষণীয়ও হ’ব পাৰে, কাৰণ বেছিভাগ ক্ষেত্ৰতে কুশলী শ্ৰমিকৰ বাহিৰে আন শ্ৰমিকৰ ক্ষেত্ৰত স্থানীয় লোককে নিয়োগ কৰা যায়। কিন্তু কিছুমান ক্ষেত্ৰত যথেষ্ট সংখ্যক বহিৰাগত কুশলী শ্ৰমিক অনাৰ প্ৰয়োজন হয় আৰু সেয়া স্থানীয় লোকৰ বাবে বিপদৰ কাৰণ হ’ব পাৰে । এই বিপদ এনে ধৰণৰ হ’ব পাৰেঃ

- বহিৰাগত শ্ৰমিক আৰু স্থানীয় লোকৰ মাজত থকা সাংস্কৃতিক পাৰ্থক্যৰ বাবে দ্বন্দ আৰু সামাজিক অস্থিৰতাৰ আশংকা।

- বহিৰাগত শ্ৰমিক আৰু স্থানীয় লোকসকলৰ মিলামিছাৰ বাবে কোভিড-১৯ ৰ দৰে সংক্ৰমণীয় ৰোগৰবিস্তাৰৰ আশংকা।
- লিংগভিত্তিক হিংসা ( Gender-based Violence – GBV) আৰু যৌন নিৰ্য্যাতনৰ (Sexual Exploitation - SE) আশংকা।
- অনাময় ব্যৱস্থাৰ সুবিধাৰ অভাৱ আৰু আবৰ্জনা ব্যৱস্থাপনাৰ অভাৱৰ বাবে স্থানীয় লোকৰ জনস্বাস্থ্য হানিৰ আশংকা।

## ১.৮আলোচনা আৰু উদ্ঘাটন

এই প্ৰকল্পৰপাৰিৱেশিক আৰু সামাজিক মূল্যাংকণৰ ক্ষেত্ৰত জনসাধাৰণৰ অৰ্থপূৰ্ণ অংশগ্ৰহণ আৰু সামাজিক আলোচনাবোৰে বিশেষ গুৰুত্ব লাভ কৰিছে। প্ৰায় ২৩ টা স্থানত ‘বিষয়কেন্দ্ৰিক সামূহিক আলোচনা’(Focused Group Discussion – FGD) অনুষ্ঠিত হৈছে। ইয়াৰ বেছিভাগেই হৈছে প্ৰস্তাৱিত নতুন ৩৩/১১ কেভি উপকেন্দ্ৰৰ স্থান আৰু ইয়াৰ লগত সম্পৰ্কিত বৈদ্যুতিক লাইন টনা সম্পৰ্কত। মুঠ ১৫৩ জন লোকে ইয়াত অংশগ্ৰহণ কৰিছিল। তদুপৰিপ্ৰকল্পৰৰূপায়ণৰ সময়ত ‘প্ৰকল্প-প্ৰভাৱিত লোক’ৰ ( Project-affected People – PAP) লগত ব্যক্তিগত আলোচনাও কৰা হ’ব আৰু তাত কোভিড-১৯ ৰোগ সংক্ৰমণ প্ৰতিৰোধৰ দৰে প্ৰসংগয়ো স্থান লাভ কৰিব। আলোচনাৰ ফলাফলসমূহ নৱম অধ্যায়ত অন্তৰ্ভুক্ত কৰা হৈছে।

## ১.৯ প্ৰাতিষ্ঠানিক ব্যৱস্থা (নিয়ন্ত্ৰণৰ সৈতে)

প্ৰতিৰোধমূলক ব্যৱস্থাসমূহ ঠিকমতে লোৱা হৈছে নে নাই, এই সম্পৰ্কত দায়িত্বপ্ৰাপ্ত প্ৰতিষ্ঠান হৈছে এ পি ডি চি এল (ঠিকাদাৰী প্ৰতিষ্ঠান / অধিকাৰপ্ৰাপ্ত আৰু নিয়ন্ত্ৰক পৰামৰ্শদাতাৰ সৈতে)। এ পি ডি চি এল-য়ে ইতিমধ্যে আন কেবাটাও বহুমুখী বিকাশ বেংকৰ (উদাহৰণ স্বৰূপে – বিশ্ব বেংক) বাবে পাৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা পদ্ধতিৰ বিকাশ কৰিছে। সম্প্ৰসাৰিত ব্যৱস্থাৰ সৈতে একেই পদ্ধতি এই প্ৰকল্পতো প্ৰয়োগ কৰা হ’ব। এই ESMPF ৰ সাৰ্থক ৰূপায়ণ কৰিবলৈ উপ-প্ৰকল্পৰ সম্পৰ্কত অধিক পাৰিৱেশিক আৰু সামাজিক মূল্যাংকণ কৰি আৰুপাৰিৱেশিক আৰু সামাজিক কৰণীয়খিনি সঠিকভাবে কৰা হৈছে নে নাই, তাৰ নিৰীক্ষণৰ যোগেদি এ পি ডি চি এল-য়ে

পাৰিৱেশিক আৰু সামাজিক বিষয়বোৰৰব্যৱস্থাপনা সুদক্ষভাবে কৰিব পাৰিব। এই ব্যৱস্থাপনাৰ বাবে এ পি ডি চি এল-ৰ এক উপযুক্ত সাংগঠনিক গাঁথনি আছে। কৰ্প'ৰেট পৰ্য্যায়ত আছে এক 'প্ৰকল্প ব্যৱস্থাপনা গোট' (Project Management Unit – PMU) আৰু সংমণ্ডল পৰ্য্যায়ত 'প্ৰকল্প ৰূপায়ণ গোট'সমূহ (Project Implementation Unit – PMU) আছে। আনহাতে সকলো ক্ষেত্ৰতে এ পি ডি চি এল-ক সহায় কৰিবলৈ 'প্ৰকল্প ব্যৱস্থাপনা পৰামৰ্শদাতা'ও ( Project Management Consultant – PMC)আছে। যিসকলে দৈনিক ভিত্তিত এই প্ৰকল্পত কাম কৰিব, সেইসকলৰ বাবে এ পি ডি চি এল-য়ে 'কেপাচিটি বিল্ডিং প্ৰগ্ৰেম' (Capacity Building Program) অনুষ্ঠিত কৰিব।

### ১.১০ অভিযোগ নিষ্পত্তি প্ৰক্ৰিয়া

'প্ৰকল্প-প্ৰভাৱিত লোক' ( PAP)আৰু শ্ৰমিকসকলৰ আপত্তি বা অভিযোগসমূহ নিৰ্দিষ্ট সময়-সীমাৰ ভিতৰত সমাধান কৰিবলৈ এক 'অভিযোগ নিষ্পত্তি প্ৰক্ৰিয়া' ( Grievance Redress Mechanism – GRP) শীঘ্ৰে প্ৰতিষ্ঠা কৰা হ'ব। তাত থাকিব এ পি ডি চি এল-ৰ প্ৰতিনিধিৰে গঠিত এখন 'অভিযোগ নিষ্পত্তি সমিতি' (Grievance Redress Committee – GRC), পঞ্চায়তৰ মুৰব্বী আৰু'প্ৰকল্প-প্ৰভাৱিত লোক'ৰ( PAP) প্ৰতিনিধি। ইয়াৰ সভাপতি হিচাপে থাকিব প্ৰকল্প সঞ্চালক (Project Director) বা তেওঁৰ প্ৰতিনিধি । PAP সকলৰ ভিতৰত যিসকলে ভাবে যে এই প্ৰকল্পটোৰESP বোৰৰূপায়ণ কৰাত এ আই আই বি বিফল হ'লে তেওঁলোকৰ যথেষ্ট ক্ষতি হ'ব, সেইসকলে নিজৰ বক্তব্যখিনি এ আই আই বি-ক দাখিল কৰিব পাৰিব। এ আই আই বি-ৰপ্ৰকল্পসমূহৰ 'প্ৰকল্প-প্ৰভাৱিত লোকৰপ্ৰক্ৰিয়া' ( Project-affected People's Mechanism) সম্পৰ্কত বেংকৰ যি নীতি আছে, সেই নীতি অনুসৰি সেই আপত্তিসমূহ বিবেচনা কৰা হ'ব।

মুঠতে ক'বলৈ গ'লে প্ৰকল্পৰ লগত সম্পৰ্কিত পাৰিৱেশিক আৰু সামাজিক প্ৰভাৱসমূহৰ বেছিভাগ দীঘলীয়া সময়ৰ বাবে নাথাকিব আৰু নিৰ্মাণ-সময়তে সীমাবদ্ধ হৈ থাকিব আৰুসেইবাবে ESMPF ৰব্যৱস্থাসমূহ এক গ্ৰহণযোগ্য পৰ্য্যায়ত ৰূপায়ণ কৰি, লগতে সৰ্বোত্তম আভিযান্ত্ৰিক আৰুপাৰিৱেশিক আৰু সামাজিক ব্যৱস্থা গ্ৰহণ কৰি সেইবোৰ দূৰ কৰিব পৰা যাব । তথাপি সামান্য পৰিমাণৰ যি নেতিবাচক প্ৰভাব থাকি যাব পাৰে, সেয়া এই প্ৰকল্পৰ পৰা হ'বলগীয়া লাভৰ তুলনাত একেবাৰে নগণ্য।

*****